**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 07-08-2024 **Time :** 1845 Hrs.

***Assamese Evening Bulletin***

১। পেৰিছ্ অলিম্পিকৰ মহিলা মল্লযোদ্ধা ৱিনেশ ফোগতক সামান্য পৰিমাণে ওজন বৃদ্ধিৰ পৰিপ্ৰেক্ষিতত ৫০ কিলোগ্ৰাম ওজন শাখাৰ ফ্ৰী ষ্টাইল প্ৰতিযোগিতাৰ বাবে অযোগ্য ঘোষণা। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ভাৰতীয় অলিম্পিক সংস্থাৰ অধ্যক্ষক খেলুৱৈগৰাকীক সহায়ৰ বিকল্প ব্যৱস্থাৰ সন্ধান কৰিবলৈ নিৰ্দেশ।

২। নিৰ্বাচন আয়োগৰ অসমৰ দুখন আসনসহ ৯ খন ৰাজ্যৰ ১২ খন ৰাজ্যসভা আসনৰ নিৰ্বাচনৰ সূচী ঘোষণা।

৩। গুৱাহাটী মহানগৰীত বিয়লি ভাগত হোৱা প্ৰবল বৰষুণৰ ফলত ভালেমান অঞ্চল পুনৰ কৃত্ৰিম বানৰ কবলত। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ মহানগৰবাসীক সতৰ্কতা অৱলম্বন কৰিবলৈ আহ্বান।

৪। বাংলাদেশৰ শেহতীয়া পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত সীমান্তক লৈ অসম চৰকাৰ যথেষ্ট সতৰ্কতা অৱলম্বন আৰু নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰা বুলি মুখ্যমন্ত্ৰীয়ে হিমন্ত বিশ্ব শৰ্মাৰ মন্তব্য ।

**আৰু**

৫। ভাৰত আৰু শ্ৰীলংকাৰ মাজৰ তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেলত ভাৰতক জয়ৰ বাবে শ্ৰীলংকাৰ ২৪৯ ৰানৰ লক্ষ্য নিৰ্ধাৰণ।

০০০০০০০

ভাৰতৰ বাবে দুৰ্ভাগ্যজনকভাৱে বিবেচিত এটা ঘটনাত পেৰিছ অলিম্পিকৰ মহিলা মল্লযোদ্ধা ৱিনেশ ফোগতক সামান্য পৰিমাণে ওজন বৃদ্ধিৰ পৰিপ্ৰেক্ষিতত আজি হ'বলগীয়া ৫০ কিলোগ্ৰাম ওজন শাখাৰ ফ্ৰী ষ্টাইল প্ৰতিযোগিতাৰ বাবে অযোগ্য ঘোষণা কৰা হৈছে। অলিম্পিকৰ ইতিহাসত প্ৰথমবাৰৰ বাবে ফাইনেলত প্ৰৱেশ কৰা দেশৰ এইগৰাকী মহিলা মল্লযোদ্ধা আজি এই প্ৰতিযোগিতাৰ ফাইনেলত অৱতীৰ্ণ হ'বলগীয়া আছিল।

ভাৰতীয় অলিম্পিক সংস্থাই আজি এটা বিবৃতিত প্ৰকাশ কৰা মতে এই সন্দৰ্ভত যোৱা নিশা দলটোৱে সকলো প্ৰচেষ্টা গ্ৰহণ কৰাৰ পাছতো খেলুৱৈগৰাকীৰ ওজন আজি পুৱাৰ ভাগত ৫০ কিলোগ্ৰামতকৈ কেইগ্ৰামমান বৃদ্ধি পায়। উল্লেখযোগ্য যে ইয়াৰ পূৰ্বে ৱিনেশ ফোগতে বিশ্বৰ প্ৰথমস্থানৰ খেলুৱৈ তথা ২০২০ চনৰ টকিঅ' অলিম্পিকৰ চূড়ান্ত বিজয়ী জাপানৰ য়ুয়ি ছুজাকীক প্ৰি-কোৱাৰ্টাৰ ফাইনেলত পৰাস্ত কৰিছিল।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি এটা এটা সামাজিক মাধ্যমৰ বাৰ্তাযোগে ৱিনেশ ফোগতক অযোগ্য ঘোষণা কৰাৰ খবৰে তেওঁক অত্যন্ত ব্যথিত কৰি তুলিছে বুলি মন্তব্য কৰে। তেওঁ কয় যে, এই ঘটনা সঁচাকৈয়ে পীড়াদায়ক আৰু ইয়াক প্ৰকাশ কৰিবলৈ তেওঁৰ ভাষাৰ অভাৱ হৈছে। তেওঁ কয় যে, ফোগত সঁচা অৰ্থত এগৰাকী চেম্পিয়ন আৰু তেওঁ প্ৰতিগৰাকী ভাৰতীয়ৰ বাবে গৰ্ব আৰু অনুপ্ৰেৰণা উৎস। তেওঁ ভাৰতীয় অলিম্পিক সংস্থাৰ অধ্যক্ষ পি টি উষাক খেলুৱৈগৰাকীৰ সহায়ৰ বাবে কি বিকল্প ব্যৱস্থা গ্ৰহণ কৰিব পাৰি সেই বিষয়ে অৱগত হ'বলৈ আহ্বান জনাইছে। তেওঁ লগতে কয় যে, ফোগতে নিজৰ সুস্থিৰতা আৰু ধৈৰ্য পূৰ্বৰ দৰে বৰ্তাই ৰাখি প্ৰত্যাহ্বান গ্ৰহণ কৰাৰ লগতে ভাৰতীয়সকলৰ বাবে সদায় আদৰ্শ হৈ আছে।

মণিকা বাট্ৰা, শ্ৰীজা অকুলা আৰু অৰ্চনা কামাথক লৈ গঠিত টেবুল টেনিছ দলটো জাৰ্মানীৰ প্ৰতিদ্বন্দ্বীৰ বিৰুদ্ধে কোৱাৰ্টাৰ ফাইনেলত পৰাজিত হৈছে।

এথলেটিকছত আব্দুল্লা নাৰাংগোলীণ্টেৰিডাই হাৰ্ডেল, হাই জাম্প আৰু ত্ৰিপল জাম্পৰ প্ৰথম ৰাউণ্ডত খেলিব। ইপিনে, টকিঅ' অলিম্পিকত ব্ৰঞ্জৰ পদক বিজেতা মিৰাবাঈ চানুৱে একেৰাহে দ্বিতীয় বাৰৰ বাবে পদক জয়ৰ প্ৰয়াস চলাব। চানু নিশা ১১ বজাত মহিলাৰ ভাৰোত্তোলনৰ ৪৯ কিলোগ্ৰাম ওজন শাখাত অৱতীৰ্ণ হ'ব।

০০০০০০০

নিৰ্বাচন আয়োগে অসমৰ দুখন আসনসহ ৯ খন ৰাজ্যৰ ১২ খন ৰাজ্যসভা আসনৰ নিৰ্বাচনৰ সূচী ঘোষণা কৰিছে। অসমৰ সৰ্বানন্দ সোণোৱাল আৰু কামাখ্যা প্ৰসাদ তাছা শেহতীয়া লোকসভালৈ নিৰ্বাচিত হোৱা খালী হোৱা আসন দুখনৰ বাবে নিৰ্বাচন হ'ব। অহা ১৪ আগষ্টত নিৰ্বাচনৰ অধিসূচনা জাৰি কৰা হ'ব। ইচ্ছুক প্ৰাৰ্থীয়ে ২১ আগষ্ট পৰ্যন্ত মনোনয়ন পত্ৰ দাখিল কৰিব পাৰিব আৰু ২২ আগষ্টত মনোনয়নসমূহ পৰীক্ষা কৰা হ'ব। মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন ২৬ আৰু ২৭ আগষ্ট ধাৰ্য কৰা হৈছে। ৩ ছেপ্তেম্বৰত নিৰ্বাচন অনুষ্ঠিত হ'ব।

০০০০০০০

গুৱাহাটী মহানগৰীত আজি বিয়লি ভাগত হোৱা প্ৰৱল বৰষুণৰ ফলত ভালেমান অঞ্চল পুনৰ কৃত্ৰিম বানৰ কবলত পৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই মহানগৰীৰ কৃত্ৰিম বানৰ প্ৰতি লক্ষ্য ৰাখি মহানগৰবাসীক সতৰ্কতা অৱলম্বন কৰিবলৈ আহ্বান জনাইছে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই প্ৰয়োজনীয় কাম নহ'লে মহানগৰবাসীক ঘৰৰ পৰা বাহিৰ নহ'বলৈ আহ্বান জনাইছে। ইয়াৰ পূৰ্বে সাংবাদিকৰ আগত মুখ্যমন্ত্ৰীয়ে কয় যে, গুৱাহাটী মহানগৰীৰ দীৰ্ঘদিনীয়া এই কৃত্ৰিম বানৰ সমস্যা ৰোধ কৰিবলৈ হ'লে মহানগৰীখনৰ নলা-নৰ্দমাৰ ব্যৱস্থা পূৰ্বতকৈ সম্প্ৰসাৰণৰ প্ৰয়োজন হ'ব। এনে ক্ষেত্ৰত বহু অঞ্চলত উচ্ছেদৰো প্ৰয়োজন হ'ব বুলি তেওঁ কয়। তেওঁ লগতে মেঘালয়ৰ পৰা তীব্ৰবেগে নামি অহা ধলে মহানগৰীখনত বানৰ সমস্যা ব্যাপক কৰি তুলিছে বুলি উল্লেখ কৰে। মহানগৰীৰ অতিৰিক্ত পানীভাগ দীপৰ বিললৈ লৈ যোৱাৰ ব্যৱস্থা কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

ইফালে গুৱাহাটীৰ মহানগৰী আৰক্ষী বিভাগে কৃত্ৰিম বানৰ প্ৰতি লক্ষ্য ৰাখি বিশেষ সতৰ্কতা জাৰি কৰিছে। মহানগৰৰ জি এছ্ ৰোডৰ ৰুক্মিণীগাঁও আৰু পিবকো পইণ্ট পৰিহাৰ কৰি চলিবলৈ জনসাধাৰণৰ প্ৰতি বিশেষ নিৰ্দেশ জাৰি কৰিছে। ইয়াৰ উপৰি জনসাধাৰণৰ সুবিধাৰ বাবে তিনিটা হেল্পলাইন নম্বৰ ০৩৬১-২৭৩০৯৮৯, ৬০২৬১-৭৬৭৫৫ আৰু ৬৯০১২-৬৯০০৬ মুকলি কৰা হৈছে। বিয়লিৰ ভাগত হোৱা এজাক বৰষুণৰ ফলত মহানগৰৰ জুৰিপাৰ, হাতীগাঁও, ছাৰ্ভে, ৰেয়াৰলেছ আদি অঞ্চল পুনৰ কৃত্ৰিম বানৰ কবলত পৰিছে। ইয়াৰ উপৰিও মেঘালয়ৰ পৰা নামি অহা পানীৰ ধলে উজনিৰ দিশলৈ যোৱা খানাপাৰা অঞ্চল প্লাৱিত কৰিছে। যোৱাবাটটো কৃত্ৰিম বানৰ ফলত উজনি অসম তথা মেঘালয়লৈ যোৱা যান-বাহনৰ যাতায়াত ব্যাহত হৈছে।

ইফালে ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অসমকে ধৰি মেঘালয়, অৰুণাচল প্ৰদেশ, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাত অহা চাৰিটা দিনত প্ৰবল বৰষুণৰ সম্ভাৱনা আছে বুলি আগলি বতৰা দিছে।

০০০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে গুৱাহাটী মহানগৰীৰ কৃত্ৰিম বানৰ সমস্যা সমাধানৰ বাবে বৰ্তমান আৰু ভৱিষ্যতৰ পৰিকল্পনা সন্দৰ্ভত ৰাজ্যৰ গৃহ আৰু নগৰ পৰিক্ৰমা বিভাগক শপতনামা দাখিল কৰিবলৈ নিৰ্দেশ দিছে। গুৱাহাটী মহানগৰীত হোৱা কৃত্ৰিম বান সন্দৰ্ভত এটা বেচৰকাৰী সংগঠনে দাখিল কৰা এখন ৰাজহুৱা স্বাৰ্থজড়িত আবেদনৰ আজি শুনানি গ্ৰহণ কৰি গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ বিজয় বিষ্ণই আৰু ন্যায়াধীশ সুমন শ্যামৰ খণ্ড বিচাৰপীঠে এই নিৰ্দেশ দিয়ে। খণ্ড বিচাৰপীঠে লগতে গুৱাহাটীৰ কৃত্ৰিম বানৰ সমস্যা সমাধানৰ বাবে ৰাজ্য চৰকাৰে স্থায়ী পদক্ষেপ গ্ৰহণ কৰাৰ প্ৰয়োজনীয়তা আছে বুলি প্ৰকাশ কৰে। এইক্ষেত্ৰত ৰাজ্য চৰকাৰৰ মহাধিবক্তা দেৱজিৎ শইকীয়াক আদালতত সহায় কৰাৰ বাবে আহ্বান জনোৱাৰ লগতে জ্যেষ্ঠ অধিবক্তা কমল নয়ন চৌধুৰীক গোচৰটোৰ ক্ষেত্ৰত আদালতৰ বন্ধু হিচাপে সহায় কৰিবলৈ আহ্বান জনায়। ১৯ আগষ্টত পৰৱৰ্তী শুনানিৰ দিন ধাৰ্য কৰা হৈছে। উল্লেখযোগ্য যে ৫ আগষ্টত গুৱাহাটী মহানগৰীত প্ৰৱল বৰষুণৰ ফলত উদ্ভৱ হোৱা কৃত্ৰিম বানৰ প্ৰতি লক্ষ্য ৰাখি আদালতে আজি ৰাজহুৱা স্বাৰ্থজড়িত আবেদনখনৰ শুনানি গ্ৰহণ কৰে।

০০০০০০০

গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী অশোক সিংঘলে আজি গুৱাহাটী মহানগৰীৰ কৃত্ৰিম বান সমস্যাৰ সমাধান সন্দৰ্ভত আলোচনাৰ বাবে এখন বৈঠকত মিলিত হয়। এই বৈঠকত শেহতীয়া বান পৰিস্থিতিৰ পৰ্যালোচনা কৰাৰ লগতে তেওঁৰ অধীনৰ বিভাগ দুটাৰ দ্বাৰা ৰূপায়িত প্ৰকল্পসমূহৰ কাম-কাজৰ পৰ্যালোচনা কৰা হয়। বৈঠকত মূলতঃ যোৱা সোমবাৰে অস্বাভাৱিক বৰষুণৰ ফলত হোৱা কৃত্ৰিম বান পৰিস্থিতি সম্পৰ্কে আলোচনা কৰি পানী জমা হোৱা অঞ্চলসমূহৰ পৰা পানী বহিৰ্গমনৰ প্ৰযুক্তিগত উপায় সম্পৰ্কে বিতংকৈ আলোচনা কৰে। উল্লেখযোগ্য যে মন্ত্ৰী সিংঘলৰ নিৰ্দেশমৰ্মে নগৰ আৰু গাঁও পৰিকল্পনা সঞ্চালকালয়ৰ বিষয়াসকলে ইতিমধ্যে উপগ্ৰহীয় প্ৰযুক্তিৰে মহানগৰীৰ বান প্ৰবল স্পৰ্শকাতৰ অঞ্চলসমূহৰ বাট-পথ, নলা-নৰ্দমা আদিৰ জৰীপ সম্পূৰ্ণ কৰিছে। আজিৰ বৈঠকত জৰীপৰ ফলাফলসমূহ মন্ত্ৰীগৰাকীক অৱগত কৰোৱা হয়। মন্ত্ৰী সিংঘলে বিষয়াসকলক এই জৰীপ সন্দৰ্ভত কিছু গুৰুত্বপূৰ্ণ নিৰ্দেশনা দিয়াৰ লগতে পানী জমা হোৱা অঞ্চলসমূহৰ পৰা তৎকালে পানী উলিয়াই নিয়াৰ ক্ষেত্ৰত প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। আনহাতে মহানগৰীৰ বান সমস্যা সমাধান সন্দৰ্ভত একাংশ নাগৰিকে চৰকাৰলৈ আগবঢ়াই অহা মূল্যৱান দিহা-পৰামৰ্শসমূহ বিশ্লেষণৰ বাবে মন্ত্ৰীগৰাকীয়ে আজি কামৰূপ মহানগৰ জিলা আয়ুক্তৰ নেতৃত্বত এখন সমিতি গঠন কৰি দিয়ে। আজিৰ বৈঠকত মুখ্যমন্ত্ৰীৰ সহজ গৃহ নিৰ্মাণ আঁচনি, নগৰ পৰিকল্পনা আঁচনি, গুৱাহাটী মাষ্টাৰ প্লেন ২০৪৫ আদি বিষয়সমূহৰ অগ্ৰগতি চালি-জাৰি চোৱা হয়।

০০০০০০০

অসম ভ্ৰমণৰত আকাশবাণীৰ সঞ্চালকপ্ৰধান মৌচুমী চক্ৰৱৰ্তীয়ে আজি ৰাজ্যৰ মুখ্য সচিব ড০ ৰবি কোটাক সাক্ষাৎ কৰি বিভিন্ন বিষয় সন্দৰ্ভত আলোচনা কৰে। তেওঁ এই সাক্ষাৎকালত মুখ্য সচিবগৰাকীক আকাশবাণী বাতৰি বিভাগৰ আকাশীবাৰ্তা শীৰ্ষক স্মৰণিকাখনো উপহাৰ হিচাপে প্ৰদান কৰে। উল্লেখযোগ্য যে আকাশবাণীৰ সঞ্চালক প্ৰধানৰ দায়িত্ব গ্ৰহণৰ পাছত প্ৰথমবাৰৰ বাবে ৰাজ্যখনলৈ অহা শ্ৰীমতী চক্ৰৱৰ্তীয়ে কালি আকাশবাণী গুৱাহাটীত উপস্থিত হৈ আঞ্চলিক বাতৰি বিভাগ আৰু কেন্দ্ৰটোৰ অন্য শীৰ্ষ বিষয়াসকলৰ সৈতে পৰ্যালোচনা বৈঠকত মিলিত হয়। তেওঁ লগতে আঞ্চলিক বাতৰি বিভাগৰ নৱৰূপত সজাই তোলা কক্ষ উদ্বোধন কৰে।

০০০০০০০০

প্ৰতিবেশী ৰাষ্ট্ৰ বাংলাদেশত সৃষ্টি হোৱা হিংসাত্মক পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত ঢাকাত থকা ভাৰতৰ উচ্চ আয়োগে দেশখনত বসবাস কৰা ভাৰতীয়সকলৰ বাবে জৰুৰী পৰামৰ্শ জাৰি কৰিছে। আয়োগে দেশখনৰ ঘটনাৰাজিৰ পৰিপ্ৰেক্ষিতত ভাৰতীয় সম্প্ৰদায়ৰ সদস্য আৰু ছাত্ৰ-ছাত্ৰীসকলক স্থানীয় অঞ্চলসমূহ ভ্ৰমণ কৰাৰ পৰা বিৰত থকাৰ লগতে নিজৰ বাসস্থানৰ পৰা অত্যন্ত প্ৰয়োজন নহ'লে ওলাই নাযাবলৈ পৰামৰ্শ দিছে। আয়োগে লগতে জৰুৰী অৱস্থা বা যিকোনো সহায়ৰ প্ৰয়োজন হ'লে ভাৰতীয় উচ্চ আয়োগ আৰু সহকাৰী উচ্চ আয়োগৰ ২৪ ঘণ্টাই সক্ৰিয় হৈ থকা জৰুৰীকালীন নম্বৰত যোগাযোগ কৰিবলৈ পৰামৰ্শ দিছে।

ইপিনে বাংলাদেশৰ শেহতীয়া পৰিস্থিতিৰ পাছত দেশখনৰ সৈতে থকা ৰাজ্যখনৰ সীমান্তক লৈ অসম চৰকাৰে যথেষ্ট সতৰ্কতা অৱলম্বন কৰাৰ লগতে পৰ্যাপ্ত নিৰাপত্তা ব্যৱস্থা কৰা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে হিমন্ত বিশ্ব শৰ্মাই মন্তব্য কৰে। আনহাতে বাংলাদেশৰ শেহতীয়া পৰিস্থিতিক লৈ ৰাজ্য চৰকাৰে উদ্বিগ্নতা প্ৰকাশ কৰাৰ লগতে সীমান্ত অঞ্চলসমূহত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। কালি বাংলাদেশৰ সৈতে সংলগ্ন হৈ থকা অসমৰ জিলাকেইখনৰ আয়ুক্ত আৰু আৰক্ষী অধীক্ষকৰ সৈতে ৰাজ্যৰ মুখ্য সচিব আৰু আৰক্ষী সঞ্চালকপ্ৰধান বৈঠকত মিলিত হয়। ভিডিঅ' কনফাৰেন্সযোগে অনুষ্ঠিত এই বৈঠকত কাছাৰ, কৰিমগঞ্জ, গোৱালপাৰা, মানকাচৰ আৰু ধুবুৰী জিলা আয়ুক্ত আৰু আৰক্ষী অধীক্ষকক সীমান্তত যাতে কোনো ধৰণৰ অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি নহয় তাৰ বাবে বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। আনহাতে, মুখ্য সচিব

ড° ৰবি কোটাৰ লগতে আৰক্ষী সঞ্চালক প্ৰধান জি পি সিঙে সীমান্তৰ পৰিস্থিতিৰ ওপৰত চোকা দৃষ্টি ৰাখিবলৈ কোৱাৰ লগতে ২৪ ঘণ্টাই সতৰ্ক হৈ থাকিবলৈও জিলা আয়ুক্ত আৰু আৰক্ষী অধীক্ষকসকলক নিৰ্দেশ দিয়ে।

ইফালে, বাংলাদেশৰ ৰাষ্ট্ৰপতি মহম্মদ চাহাবুদ্দিনে ন'বেল বঁটা প্ৰাপক মহম্মদ ইউনুছক অন্তৰৰ্তীকালীন চৰকাৰৰ মুৰব্বী হিচাপে নিয়োগ কৰিছে। ঢাকাৰ ৰাষ্ট্ৰপতি ভৱনত কালি সেনাবাহিনীৰ তিনিওটা শাখাৰ মুৰব্বী আৰু ছাত্ৰ আন্দোলনৰ ১৩জনীয়া প্ৰতিনিধিবৰ্গৰ সৈতে ৰাষ্ট্ৰপতি চাহাবুদ্দিনৰ বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়।

oooooooo

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি গোলাঘাট জিলাৰ দেৰগাঁৱৰ লাচিত বৰফুকন পুলিচ একাডেমীত অসম বন সুৰক্ষা বাহিনীৰ কনিষ্টবলৰ দীক্ষান্ত সমাৰোহত অংশগ্ৰহণ কৰে। তেওঁ এই সমাৰোহত ৯৮১ গৰাকী বন সুৰক্ষা বাহিনীৰ কনিষ্টবলক দীক্ষান্ত প্ৰমাণ-পত্ৰ প্ৰদান কৰে। এই অনুষ্ঠানত পৰিবেশ আৰু বন মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, আৰক্ষী সঞ্চালক প্ৰধান জি পি সিঙৰ লগতে কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। বন আৰু বন্যপ্ৰাণী সুৰক্ষাৰ দিশত এক দৃঢ় পদক্ষেপ গ্ৰহণৰ অংশৰূপে প্ৰথম বাৰৰ বাবে এই দীক্ষান্ত সমাৰোহৰ আয়োজন কৰা হৈছিল। বন সুৰক্ষা বাহিনীত জোৱানৰ নিযুক্তিৰ সংখ্যা ১২০ শতাংশলৈ বৃদ্ধি কৰাৰ ফলত জোৱানৰ সংখ্যা ৭৮৪ৰ পৰা এহেজাৰ ৭২৪ গৰাকী হৈছে। ইয়াৰে ৯০ গৰাকী মহিলা। আনহাতে, তৃতীয় অসম বন সুৰক্ষা বাহিনী বেটেলিয়ন সম্পূৰ্ণ ৰূপে নৱনিযুক্ত জোৱানেৰে গঠন কৰা হৈছে।

oooooooo

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি কলিয়াবৰৰ হাতীমূৰাৰ ভগ্ন মথাউৰি আৰু অস্থায়ী সুৰক্ষা বান্ধৰ নিৰ্মাণকাৰ্য পৰিদৰ্শন কৰে। মথাউৰিটো পৰিদৰ্শন কৰাৰ পাছত সাংবাদিকৰ সৈতে হোৱা বাৰ্তালাপত মুখ্যমন্ত্ৰীগৰাকীয়ে কলিয়াবৰত যাতে ভৱিষ্যতে পুনৰ বানৰ সৃষ্টি নহয়, তাৰ সম্পূৰ্ণ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি আশ্বাস প্ৰদান কৰে। তেওঁ অতি কম সময়ৰ ভিতৰতে মথাউৰি ভঙা স্থানত অস্থায়ী বান্ধ নিৰ্মাণ সম্পূৰ্ণ কৰি তোলাৰ বাবে জলসম্পদ বিভাগক ধন্যবাদ জ্ঞাপন কৰে। তদুপৰি মথাউৰি ভঙা স্থানত স্থায়ী বান্ধ নিৰ্মাণ সন্দৰ্ভত বিশেষজ্ঞৰ মতামত লোৱা হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। ইফালে, কলং বোঁৱতীকৰণ প্ৰকল্পৰ বাবে অতিৰিক্ত ২-৩ বছৰ সময় লাগিব বুলি তেওঁ প্ৰকাশ কৰে। এই পৰিদৰ্শনৰ সময়ত মুখ্যমন্ত্ৰীৰ সৈতে পৰিবহণ মন্ত্ৰী কেশৱ মহন্ত আৰু নগাঁৱৰ বিধায়ক ৰূপক শৰ্মা উপস্থিত আছিল।

ooooooo

সমগ্ৰ দেশতে আজি দশম ৰাষ্ট্ৰীয় হস্ততাঁত দিৱস উদযাপন কৰা হয়। এই দিৱসৰ সৈতে সংগতি ৰাখি নতুন দিল্লীৰ বিজ্ঞান ভৱনত আজি আয়োজিত এটা অনুষ্ঠানত উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে অংশগ্ৰহণ কৰে।

অসমতো হস্ততাঁত বস্ত্ৰশিল্প আৰু ৰেচম সঞ্চালকালয়ৰ উদ্যোগত আজি দশম ৰাষ্ট্ৰীয় হস্ততাঁত দিৱস উদযাপন কৰা হয়। খানাপাৰাৰ অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত আয়োজিত এই দিৱসত ৰাজ্য চৰকাৰৰ মন্ত্ৰী উৰ্খাও গৌড়া ব্ৰহ্ম আৰু জয়ন্ত মল্লবৰুৱাৰ লগতে পদ্মশ্ৰী তথা অসম গৌৰৱ বঁটা প্ৰাপক বয়ন শিল্পী হেমপ্ৰভা চুতীয়াকে ধৰি বহুকেইগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ হস্ততাঁত আৰু বস্ত্ৰ শিল্প বিভাগৰ উদ্যোগত ডিফুৰ ফাৰ্মাৰ গ্ৰ'থ চেণ্টাৰত এই দিৱস পালন কৰা হয়। এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ দি কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙে পৰিষদীয় ২৬ টা সমষ্টিত একোটাকৈ বোৱা-কটা কেন্দ্ৰ নিৰ্মাণ কৰা হ'ব বুলি প্ৰকাশ কৰে। তেওঁ জিলাখনৰ শিপিনীসকলৰ কল্যাণৰ বাবে পৰিষদে গ্ৰহণ কৰা আঁচনিৰ বিষয়েও প্ৰকাশ কৰে।

বিটিআৰ প্ৰশাসনৰ উদ্যোগতো চিৰাং জিলাৰ টুক্ৰাঝাৰত দশম ৰাষ্ট্ৰীয় হস্ততাঁত দিৱস পালন কৰা হয়। এই অনুষ্ঠানত বিটিআৰৰ পাঁচখন জিলাৰ কেইবা শতাধিক শিপিনীয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানত বিটিআৰৰ হস্ততাঁত আৰু বস্ত্ৰ-শিল্প

বিভাগৰ কাৰ্যবাহী সদস্য ধনেশ্বৰ বসুমতাৰীয়ে শিপিনীসকলক আৰ্থিকভাৱে স্বাৱলম্বী কৰাৰ বাবে গ্ৰহণ কৰা বিভিন্ন আঁচনি সন্দৰ্ভত বক্তব্য প্ৰদান কৰে।

তিনিচুকীয়া জিলাৰ হস্ততাঁত আৰু বস্ত্ৰ শিল্প বিভাগৰ উদ্যোগত আজি ৰাষ্ট্ৰীয় হস্ততাঁত দিৱস পালন কৰা হয়।

০০০০০০০

ৰাজ্য চৰকাৰে গ্ৰহণ কৰা অমৃত বৃক্ষ আন্দোলনৰ দ্বিতীয় পৰ্যায়ৰ কাৰ্যসূচীৰ অংশ হিচাপে আজি তিনিচুকীয়া জিলাত গছপুলি ৰোপণ, জিঅ' টেগিং, আপলোড আদি অব্যাহত আছে। জিলাখনত আজি কেইবাটাও আত্ম-সহায়ক গোটৰ লগতে বিভিন্ন চৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠানৰ বিষয়া-কৰ্মচাৰীসকলে গছপুলি ৰোপণ কৰে। যোৰহাট জিলাতো জিলা আৰক্ষী অধীক্ষকৰ উদ্যোগত আৰক্ষী ছাউনীত গছপুলি ৰোপণ কৰি অমৃত বৃক্ষ অভিযান আৰম্ভ কৰে।

০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ নাট শাখাৰ কণ্ঠস্বৰ পৰীক্ষা অৰ্থাৎ অডিচনৰ বাবে নিৰ্দিষ্ট কৰা দিনৰ সালসলনি ঘটোৱা হৈছে। নাট শাখাৰ পৰা জনোৱা মতে অনিবাৰ্য্য কাৰণবশতঃ পূৰ্ব ঘোষিত কণ্ঠস্বৰ পৰীক্ষাৰ সূচী নতুনকৈ ঘোষণা কৰা হৈছে। নতুন তাৰিখ অনুসৰি অহা ৩ ছেপ্তেম্বৰৰ পৰা ২০ ছেপ্তেম্বৰলৈকে এই অ'ডিচন সম্পন্ন হ'ব। নতুনকৈ আবেদন কৰা শিশু শিল্পী আৰু বি-গ্ৰেডৰ উপৰি বি-হাইগ্ৰেডৰ বাবেও একেলগে অডিচন সম্পন্ন হ'ব। প্ৰাৰ্থীসকললৈ কণ্ঠস্বৰ পৰীক্ষাৰ প্ৰৱেশ পত্ৰ ডাক যোগে পঠিওৱা হ'ব আৰু প্ৰত্যেকৰে ম'বাইলত অডিচনৰ তাৰিখ আৰু সময় সম্পৰ্কে বাৰ্তা প্ৰেৰণ কৰা হ'ব। যদি আবেদন কৰা কোনো প্ৰাৰ্থীয়ে এই দুয়োটা মাধ্যমৰ এটাৰ জৰিয়তেও নিজৰ কণ্ঠস্বৰ পৰীক্ষাৰ দিন-সময় সম্পৰ্কে অৱগত নহয় তেন্তে তেওঁলোকে অহা ২০ আগষ্টৰ পাছত ৯৪০১০-৮৩০১৮ নম্বৰত হোৱাটছ-এপ যোগে যোগাযোগ কৰিব পাৰিব। পৰীক্ষাত উত্তীৰ্ণ হৈ কেন্দ্ৰটোৰ নাট শাখাৰ অভিনয় শিল্পীৰ স্বীকৃতি পোৱাসকলৰ তালিকা ২৪ ছেপ্তেম্বৰৰ বিয়লি ৩ বজাত প্ৰকাশ কৰা হ'ব।

০০০০০০০০

ভাৰত আৰু শ্ৰীলংকাৰ মাজৰ তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেলত শ্ৰীলংকাই ভাৰতক জয়ৰ বাবে ২৪৯ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। শ্ৰীলংকাই প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ৫০ অভাৰত ৭টা উইকেট হেৰুৱাই ২৪৮ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ ৰিয়ান পৰাগে ৩টা উইকেট দখল কৰে। ইফালে খেলৰ দ্বিতীয়াৰ্ধত ভাৰতে এই বাতৰি যুগুতোৱাৰ পৰলৈকে ৫ অভাৰত এটা উইকেট হেৰুৱাই ৪১ ৰান সংগ্ৰহ কৰি খেলি আছে।

০০০০০০০

**সমাপ্ত**